**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-05-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ সুৰক্ষা গোটৰ নিয়মৰ অধীনত অনিবাৰ্য নিৰাপত্তা ব্যৱস্থা বৰ্তাই ৰাখি কনভয়ৰ গাড়ীৰ সংখ্যা হ্ৰাস কৰিছে।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি পুৱা চিলিৰ বিদেশ মন্ত্ৰী ফান্সিস্ক’ পেৰিজ মাকেনাক সাক্ষাৎ কৰে।

৩। তামিলনাডুত চি যোছেফ বিজয় নেতৃত্বাধীন টি ভি কে চৰকাৰে আস্থা ভোটত জয়লাভ কৰিছে।

৪। ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন কেবিনেট বৈঠক আজি কইনাধৰাত অনুষ্ঠিত হ’ব।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ’ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিশেষ সুৰক্ষা গোটৰ নিয়মৰ অধীনত অনিবাৰ্য নিৰাপত্তা ব্যৱস্থা বৰ্তাই ৰাখি কনভয়ৰ গাড়ীৰ সংখ্যা হ্ৰাস কৰিছে। সূত্ৰৰ পৰা জানিব পৰা মতে প্ৰধানমন্ত্ৰীৰ কনভয়ৰ গাড়ীৰ সংখ্যা শেহতীয়া অসম আৰু গুজৰাট ভ্ৰমণৰ সময়ৰ পৰা এই ব্যৱস্থা প্ৰযোজ্য হৈছে। পশ্চিম এছিয়াৰ সংকটৰ পৰিপ্ৰেক্ষিতত আমদানিকৃত ইন্ধনৰ ওপৰত নিৰ্ভৰশীলতা কম কৰিবলৈ আৰু পৰিবেশ অনুকূল অন্য বিকল্প গ্ৰহণ কৰি অৰ্থব্যৱস্থাৰ সুদৃঢ়কৰণত অৰদান আগবঢ়াবলৈ প্ৰধানমন্ত্ৰীয়ে কৰা সাতটা অনুৰোধ অনুযায়ী এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে। সূত্ৰই প্ৰকাশ কৰা মতে কনভয়ৰ গাড়ীৰ সংখ্যা হ্ৰাস কৰা পাছতো প্ৰধানমন্ত্ৰীৰ সুৰক্ষা সুনিশ্চিত কৰাৰ বাবে গুৰুত্বপূৰ্ণ নিৰাপত্তা ব্যৱস্থাসমূহ পূৰ্বৰ দৰে অব্যাহত থাকিব। প্ৰধানমন্ত্ৰী মোদীয়ে যথাসম্ভ নতুনকৈ বাহন ক্ৰয় নকৰাকৈ কনভয়ত বৈদ্যুতিক বাহনৰ সংখ্যা বৃদ্ধি কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিছে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও তেওঁৰ কনভয়ৰ গাড়ীৰ সংখ্যা আধালৈ হ্ৰাস কৰাৰ সিদ্ধান্ত লৈছে। শ্ৰীশ্বাহে পশ্চিম এছিয়াৰ সংকটৰ পৰিপ্ৰেক্ষিতত প্ৰধানমন্ত্ৰীয়ে জনোৱা অনুৰোধ অনুসৰি এই পদক্ষেপ লৈছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি পুৱা চিলিৰ বিদেশ মন্ত্ৰী ফান্সিস্ক’ পেৰিজ মাকেনাক সাক্ষাৎ কৰে। সামাজিক মাধ্যমত দিয়া বাৰ্তাযোগে ড° জয়শংকৰে কয়, যে দুয়োগৰাকী নেতাই সেৱা অৰ্থনীতিৰ সুবিধা প্ৰদানৰ বাবে অগ্ৰাধিকাৰ সম্পন্ন সামগ্ৰী ৰপ্তানিৰ বিকাশ আৰু বিপণন ব্যৱস্থাৰ প্ৰসাৰৰ বাবে দ্বিপাক্ষিক সহযোগিতা শক্তিশালী কৰিবলৈ আলোচনাত মিলিত হয়। দুয়োগৰাকীয়ে বহুপাক্ষিক বিষয়সমূহতো একেলগে কাম কৰিবলৈ সন্মতি প্ৰকাশ কৰে। উল্লেখযোগ্য যে চিলিৰ বিদেশমন্ত্ৰীগৰাকী কাইলৈৰ পৰা হ’বলগীয়া BRICS বিদেশ মন্ত্ৰীসকলৰ দুদিনীয়া সন্মিলনত অংশগ্ৰহণৰ বাবে ভাৰতত উপস্থিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে অধ্যক্ষতা কৰিবলগীয়া এই বৈঠকত BRICS ৰাষ্ট্ৰসমূহৰ বিদেশ মন্ত্ৰী আৰু সদস্য তথা অংশীদাৰ ৰাষ্ট্ৰসমূহৰ শীৰ্ষ প্ৰতিনিধিসকল উপস্থিত থাকিব। তেওঁলোকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীকো সাক্ষাৎ কৰিব। এই বৈঠকত আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক পৰ্যায়ৰ পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহ সন্দৰ্ভত মত বিনিময় কৰা হ’ব।

ইন্দোনেছিয়াৰ বিদেশ মন্ত্ৰী ছুগিয়’ন’ আজি পুৱা নতুন দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়। মন্ত্ৰীগৰাকীয়েও কাইলৈৰ পৰা হ’বলগীয়া BRICS ৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰীসকলৰ সন্মিলনত অংশ ল’ব।

oooooooo

তামিলনাডুত চি যোছেফ বিজয় নেতৃত্বাধীন টি ভি কে চৰকাৰে আস্থা ভোটত জয়লাভ কৰিছে। আজি বিধানসভাত ১৪৪ গৰাকী বিধায়কে সপক্ষে ভোটদান কৰাৰ ফলত সদনত টি ভি কে চৰকাৰে স্পষ্ট সংখ্যাগৰিষ্ঠতা লাভ কৰে। ২২ গৰাকী বিধায়কে বিপক্ষে ভোটদান কৰে। ইপিনে, প্ৰধান বিৰোধী দল ডি এম কে-ই এই কাৰ্যক্ৰমণিকাত অংশগ্ৰহণৰ পৰা বিৰত থাকি সদন ত্যাগ কৰে। উল্লেখযোগ্য যে তামিলনাডুৰ ৰাজ্যপাল ৰাজেন্দ্ৰ বিশ্বনাথ আৰ্লেকাৰে চি যোচেফ বিজয়ক সদনত সংখ্যাগৰিষ্ঠতা প্ৰদৰ্শনৰ বাবে আহ্বান জনাইছিল। দলটোৱে শেহতীয়া বিধানসভা নিৰ্বাচনত ১০৮ খন আসন লাভ কৰিছিল।

ooooooooo

কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা CBI-এ পলাতক মাদকদ্ৰব্য সৰবৰাহৰ গোচৰত অভিযুক্ত প্ৰভদীপ সিঙক আজাৰবাইজনৰ পৰা ভাৰতলৈ প্ৰত্যাৰ্পন নিশ্চিত কৰিছে। CBI-এ বৈদেশিক পৰিক্ৰমা আৰু গৃহ মন্ত্ৰ্যালয়ৰ লগতে দিল্লী আৰক্ষীৰ সহযোগত এই প্ৰত্যাৰ্পন সফলতাৰে নিশ্চিত কৰে। CBI-এ এটা বিবৃতিযোগে প্ৰকাশ কৰা মতে মাদকদ্ৰব্য আৰু নিচাযুক্ত সামগ্ৰী সৰবৰাহ প্ৰতিৰোধী আইনৰ কেইবাটাও ধাৰাৰ অধীনত নতুন দিল্লীৰ থানাৰ বিশেষ কোষত প্ৰভদীপ সিঙৰ বিৰুদ্ধে ৰুজু কৰা গোচৰ সংক্ৰান্তত তেওঁৰ সন্ধান কৰা হৈছিল। এই গোচৰ সংক্ৰান্তত ভালেসংখ্যক নিচাযুক্ত সামগ্ৰী জব্দ কৰাৰ লগতে কেইবাগৰাকীও অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। CBIৰ সূত্ৰই প্ৰকাশ কৰা মতে প্ৰভদীপ সিং নিচাজাতীয় সামগ্ৰী সৰবৰাহৰ চক্ৰৰ মূল হোতা আছিল। সংস্থাটোৱে প্ৰকাশ কৰা মতে সমন্বিত প্ৰচেষ্টাৰ ফলত বিগত কেইটামান বছৰত কমেও ১৬০ জন পলাতক অপৰাধীক ভাৰতলৈ ঘূৰাই অনা হৈছে।

ooooooooo

ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ প্ৰথমখন কেবিনেট বৈঠক আজি দিনৰ দুই বজাত কইনাধৰাৰ ৰাজ্যিক অতিথিশালাত অনুষ্ঠিত হ’ব। দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পাছত ড° শৰ্মাই আজি প্ৰথমটো কাৰ্যসূচী হিচাপে শিলপুখুৰীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ সমাধিক্ষেত্ৰ পৰিদৰ্শন কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত ড° শৰ্মাই নতুন চৰকাৰখনে জনসাধাৰণক দিয়া সকলো প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ চেষ্টা কৰিব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে। তেওঁ লগতে উমৈহতীয়া দেৱানী বিধি কাৰ্যকৰী কৰা আৰু সীমা সুৰক্ষাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা লোৱা হ’ব বুলি উল্লেখ কৰে। অহা ২১ মে’ত অসম বিধানসভাৰ অধিৱেশন আৰম্ভ হ’ব আৰু সেই অধিৱেশনতে নৱ-নিৰ্বাচিত বিধায়কসকলে শপত গ্ৰহণ কৰিব। চন্দ্ৰমোহন পাটোৱাৰীক অস্থায়ী অধ্যক্ষ হিচাপে বাছনি কৰা হৈছে আৰু ৰঞ্জিত কুমাৰ দাসক অধ্যক্ষৰ দায়িত্ব দিয়া হ’ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। ইয়াৰ পাছতে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ সমাধিস্থলীত কালি শপত গ্ৰহণ কৰা চাৰিগৰাকী মন্ত্ৰী অজন্তা নেওগ, ৰামেশ্বৰ তেলী, অতুল বৰা আৰু চৰণ বড়োৱে শ্ৰদ্ধা নিবেদন কৰে। তদুপৰি দিছপুৰ সমষ্টিৰ নৱ-নিৰ্বাচিত বিধায়ক প্ৰদ্যুৎ বৰদলৈও উপস্থিত থাকে।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৯৯৮ চনৰ আজিৰ দিনটোত ভাৰতে সম্পন্ন কৰা পৰমাণু পৰীক্ষাৰ বিষয়ে স্মৰণ কৰিছে। সামাজিক মাধ্যমযোগে সংস্কৃতৰ এষাৰী হিতোপদেশ শ্বেয়াৰ কৰি প্ৰধানমন্ত্ৰীয়ে কয় যে এই পাৰমাণৱিক পৰীক্ষাই দেশৰ দৃঢ় সংকল্পক প্ৰতিফলিত কৰে। তেওঁ কয় যে পাৰমাণৱিক পৰীক্ষাৰ অন্তত

সমগ্ৰ বিশ্বই ভাৰতৰ ওপৰত হেঁচা প্ৰয়োগ কৰা সত্বেও কোনো শক্তিয়ে যে ভাৰতক দমন কৰিব নোৱাৰে দেশে সেয়া প্ৰতিপন্ন কৰে।

000000000

কেন্দ্ৰীয় তদন্তকাৰী সংস্থা চি বি আইয়ে চিকিৎসা বিজ্ঞানৰ পাঠ্যক্ৰমৰ নামভৰ্তিৰ পৰীক্ষা নীট প্ৰশ্নকাকত ফাদিল আৰু এই সংক্ৰান্তত ৰাজস্থান আৰক্ষীৰ বিশেষ অভিযান গোটে আটক কৰা প্ৰায় ২৪জন লোকক সোধা-পোছা কৰাৰ উদ্দেশ্যে জয়পুৰত উপস্থিত হৈছে। ইপিনে, তদন্তৰ অংশ হিচাপে বিশেষ অভিযান গোটে ছিকৰ আৰু ইয়াৰ ওচৰ-পাজৰৰ এলেকাৰ শ-শ লোকক জেৰা কৰি আছে।

000000000

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে গৃহ মন্ত্ৰালয়ৰ সহযোগত মাই ভাৰত মঞ্চৰ মাধ্যমেৰে বিকশিত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচী ২০২৬ সন্দৰ্ভত ৰাষ্ট্ৰজোৰা কুইজ আৰম্ভ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই কুইজৰ জৰিয়তে অহা মাহত হ'বলগীয়া সীমামূৰীয়া গাঁও অংশগ্ৰহণ কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ত ভাগ ল'বলগীয়া যুৱক-যুৱতীসকলক বাছনি কৰা হ'ব। এই মাহৰ ২০ তাৰিখলৈ হ'বলগীয়া এই অনলাইন কুইজ প্ৰতিযোগিতাত সমগ্ৰ দেশৰ যুৱক-যুৱতীয়ে অংশগ্ৰহণ কৰিব পাৰিব। কুইজত শ্ৰেষ্ঠ প্ৰদৰ্শন কৰা প্ৰতিযোগীসকলক যোগ্যতা আৰু শাৰিৰীক সুস্থতাৰ মূল্যায়ন কৰা হ'ব আৰু অহা মাহত হ'বলগীয়া সপ্তাহজোৰা সীমামূৰীয়া গাঁও অংশগ্ৰহণ কাৰ্যসূচীত ভাগ ল'বলগীয়া দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত ৫০০ গৰাকী মাই ভাৰত স্বেচ্ছাসেৱক বাছনি কৰা হ'ব।

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই কুইজে অংশগ্ৰহণকাৰীসকলে বাবে সীমান্তৱৰ্তী গাঁৱৰ ৰূপান্তৰ, স্থানীয় সংস্কৃতি, পৰিবেশ বিষয়ক সজাগতা আৰু সীমামূৰীয়া অঞ্চলসমূহক সুদৃঢ় কৰাৰ বাবে চৰকাৰে চলোৱা প্ৰচেষ্টাৰ বিষয়ে জনাৰ মঞ্চ ৰূপে কাম কৰিব।

000000000

মুলায়েম সিং যাদৱৰ কনিষ্ঠ পুত্ৰ তথা সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱৰ ভাতৃ প্ৰতীক যাদৱৰ আজি লক্ষ্ণৌৰ অসামৰিক চিকিৎসালয়ত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৩৮ বছৰ। প্ৰতীক যাদৱক আকস্মিকভাৱে অসুস্থ হৈ পৰাত ততালিকে চিকিৎসালয়লৈ লৈ যোৱা হয়। চিকিৎসালয়ত তেওঁক মৃত ঘোষণা কৰা হয়। প্ৰতীক যাদৱৰ পত্নী অপৰ্ণা বিষ্ট যাদৱ বিজেপিৰ সদস্য আৰু সম্প্ৰতি তেওঁ ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে প্ৰতীক যাদৱৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শোকবাৰ্তাত কয় যে প্ৰতীক যাদৱৰ আকস্মিক মৃত্যু সঁচাকৈ পীড়াদায়ক। তেওঁ লগতে শোকসন্তপ্ত পৰিয়ালটোলৈ সমবেদনা জ্ঞাপন কৰে।

000000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰায়পুৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৮২ ৰানত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত স্থান লাভ কৰে।

000000000

সমাপ্ত